চতুর্থ ভাৰত-ভিয়েটনাম নিৰাপত্তা বার্তালাপ (16 অক্টোবৰ, 2026)

চতুর্থ ভাৰত-ভিয়েটনাম নিৰাপত্তা বার্তালাপ 16 অক্টোবৰ 2026 ত নতুন দিল্লীত অনুষ্ঠিত হৈছিল। ইয়াত ভাৰতৰ উপ-ৰাষ্ট্রীয় নিৰাপত্তা উপদেষ্টা শ্রী পৱন কাপুৰ আৰু ভিয়েটনামৰ জন নিৰাপত্তা বিভাগৰ উপ-মন্ত্রী ছিনিয়ৰ লেফটেণেণ্ট জেনেৰেল ফাম থে তুঙে যুটীয়াভাৱে পৌৰোহিত্য কৰে।

2. উভয় পক্ষই অর্থনৈতিক নিৰাপত্তা, সাগৰীয় সম্পর্ক, সন্ত্রাসবাদ বিৰোধী পদক্ষেপ, উদীয়মান প্রযুক্তি আৰু চাইবাৰ নিৰাপত্তাকে ধৰি দুয়োখন দেশৰ মাজত চলি থকা সহযোগিতাৰ এক ব্যাপক পর্যালোচনা কৰে। দুয়ো পক্ষই আঞ্চলিক আৰু বিশ্বজনীন নিৰাপত্তা পৰিৱেশৰ ওপৰতো মতামত বিনিময় কৰে আৰু পাৰস্পৰিক স্বার্থজড়িত বিষয়সমূহত অধিক ঘনিষ্ঠ সহযোগিতাৰ প্রতিশ্রুতি পুনৰ ব্যক্ত কৰে।

3. ভাৰত-ভিয়েটনাম নিৰাপত্তা বার্তালাপ ভাৰতৰ ৰাষ্ট্রীয় নিৰাপত্তা পৰিষদৰ সচিবালয় আৰু ভিয়েটনামৰ জন নিৰাপত্তা মন্ত্রালয়ৰ মাজত 2016 চনৰ বুজাবুজি চুক্তিৰ অধীনত দ্বিবার্ষিকভাৱে অনুষ্ঠিত হয়।

নতুন দিল্লী

অক্টোবৰ 16, 2026